# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI
0000000000

**Date : 11**-08-2025
**Time :** 0705 hrs

*Assamese Morning Bulletin*

## HEADLINES

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি নতুন দিল্লীৰ বাবা খৰকসিং মাৰ্গত সাংসদসকলৰ বাবে নতুনকৈ নিৰ্মাণ কৰা ১৮৪ টা আৱাস আনুষ্ঠানিকভাৱে উদ্বোধন কৰিব**।**

২। প্ৰধানমন্ত্ৰীয়ে দেশৰ অত্যাধুনিক প্ৰযুক্তিৰ ক্ষমতা আৰু প্ৰতিৰক্ষা খণ্ডত মেক ইন ইণ্ডিয়া পদক্ষেপৰ বাবে অপাৰেচন সিন্দূৰে সফলতা লাভ কৰিলে বুলি প্ৰকাশ কৰিছে।

৩। কৃষি মন্ত্ৰী শিৱৰাজ সিং চৌহানে আজি ৩০ লাখৰো অধিক কৃষকক তিনি হাজাৰ ২০০ কোটি টকাৰ শস্য বীমা দাবীৰ ধন বিতৰণ কৰিব।

৪। নিৰ্বাচন আয়োগে বিহাৰৰ জ্যেষ্ঠ বিজেপি নেতা আৰু উপ-মুখ্যমন্ত্ৰী বিজয় কুমাৰ সিনহাৰ দুখন ভোটাৰ কাৰ্ড সন্দৰ্ভত নিৰ্দেশ জাৰি কৰিছে।***আৰু***

৫। ১৯ বছৰ অনুৰ্ধ এছিয়া বক্সিং প্ৰতিযোগিতাত ভাৰতে সোণ সহ ১৪ টা পদক অৰ্জন কৰিছে।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি নতুন দিল্লীৰ বাবা খৰকসিং মাৰ্গত সাংসদসকলৰ বাবে নতুনকৈ নিৰ্মাণ কৰা ১৮৪ টা আৱাস আনুষ্ঠানিকভাৱে উদ্বোধন কৰিব**।** উল্লেখযোগ্য যে টাইপ ছেভেন আৰ্হিৰে এই কেইবামহলীয়া ফ্লেটসমূহ নিৰ্মাণ কৰা হৈছে**।** এই উপলক্ষে প্ৰধানমন্ত্ৰীয়ে আজি সেন্দূৰ গছৰ এটি পুলিও ৰোপণ কৰিব আৰু শ্ৰমজীৱিসকলৰ সৈতে মত বিনিময় কৰাৰ লগতে জনসাধাৰণক উদ্দেশ্যি ভাষণ দিব**।** প্ৰধানমন্ত্ৰীৰ কাৰ্যালয়ে এটা বিবৃতিত প্ৰকাশ কৰা মতে, প্ৰায় ৫ হাজাৰ বৰ্গফুট এলেকা

সামৰি নতুনকৈ নিৰ্মাণ কৰা প্ৰতিটো আৱাসত সাংসদসকলৰ বাবে থকাৰ সুবিধাৰ লগতে চৰকাৰী কাম-কাজ কৰিব পৰাকৈ পৰ্যাপ্ত স্থান থাকিব।

এই বৃহৎ আৱাসিক চৌহদটোত কাৰ্যালয়, কৰ্মচাৰীৰ আৱাস আৰু সামুহিক কেন্দ্ৰৰ বাবে নিৰ্ধাৰিত স্থান সুকীয়াকৈ ৰখাৰ পৰিপ্ৰেক্ষিতত সাংসদসকলে জনপ্ৰতিনিধি হিচাপে নিজৰ দায়িত্ব সুকলমে পালন কৰিব পাৰিব বুলি আশা কৰা হৈছে। বিবৃতিটোত লগতে প্ৰকাশ কৰা মতে, এই চৌহদটোৰ নিৰ্মাণত আধুনিক গাথনিগত মান অনুসৰি ভূমিকম্প প্ৰতিৰোধী ব্যৱস্থাও গ্ৰহণ কৰা হৈছে। তদুপৰি প্ৰতিগৰাকী আৱাসীৰ নিৰাপত্তা নিশ্চিত কৰিব পৰাকৈ ইয়াত ব্যাপক সুৰক্ষা ব্যৱস্থাও গ্ৰহণ কৰা হৈছে।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে দেশৰ অত্যাধুনিক প্ৰযুক্তিৰ ক্ষমতা আৰু প্ৰতিৰক্ষা খণ্ডত মেক ইন ইণ্ডিয়া পদক্ষেপৰ বাবে অপাৰেচন সিন্দূৰে সফলতা লাভ কৰিলে বুলি উল্লেখ কৰিছে। বেংগালুৰুৰ এখন জনসভাত অংশ লৈ শ্ৰী মোদীয়ে কয়, যে সমগ্ৰ বিশ্ব বৰ্তমান নতুন ভাৰতৰ সাক্ষী হৈছে কাৰণ দেশৰ সশস্ত্ৰ বাহিনীয়ে সীমান্ত পাৰ হৈ সন্ত্ৰাসবাদীৰ ঘাটি ধ্বংস কৰি পাকিস্তানক কেইঘণ্টামানৰ ভিতৰতে হাৰ মানিবলৈ বাধ্য কৰোৱা সকলোৱে প্ৰত্যক্ষ কৰিলে। প্ৰযুক্তিৰ ক্ষেত্ৰত আত্মনিৰ্ভৰশীলতাৰ বাবে আহ্বান জনায় প্ৰধানমন্ত্ৰী মোদীয়ে **শূন্য ত্ৰুটি, শূন্য প্ৰভাৱ** উতপাদন মানৰ ক্ষেত্ৰত গুৰুত্ব আৰোপ কৰে। তেওঁ কয়, যে বেংগালুৰুৱে ভাৰতক গোলকীয় তথ্য প্ৰযুক্তিৰ মানচিত্ৰত স্থান দিছে আৰু এতিয়া ই বিকশিত ভাৰতৰ দৃষ্টিভংগীক সম্পূৰ্ণ কৰাৰ বাবে বৰ্ধিত প্ৰযুক্তি আৰু নিৰ্মাণখণ্ডক নেতৃত্ব দিয়া উচিত। বেংগালুৰু চহৰক নৱ ভাৰতৰ উত্থানৰ এটা চিহ্ন বুলি অভিহিত কৰি শ্ৰী মোদীয়ে কৰ্ণাটকৰ প্ৰতিভাসমূহ, বিশেষকৈ বেংগালুৰুৰ যুৱচামক তথ্য প্ৰযুক্তিৰ পৰা আৰম্ভ কৰি প্ৰতিৰক্ষা নিৰ্মাণ খণ্ডলৈকে দেশৰ প্ৰগতিত তেওঁলোকৰ ভূমিকাৰ প্ৰশংসা কৰে। শ্ৰী মোদীয়ে দেশৰ দ্ৰুত আন্তঃগাঁথনিৰ বিকাশত আলোকপাত কৰি কয়, যে মেট্ৰ ৰেল সেৱা পূৰ্বৰ পাঁচখন চহৰৰ পৰা বৰ্তমান ২৪ খন চহৰলৈ সম্প্ৰসাৰিত হোৱাৰ লগতে ২০১৪ চনৰ পৰা বৰ্তমানলৈকে বিমান বন্দৰৰ সংখ্যা দুগুণলৈ বৃদ্ধি পাইছে আৰু ৪০ হাজাৰৰো অধিক ৰেল পথৰ বৈদ্যুতিকীকৰণ কৰা হৈছে। তেওঁ লগতে বৈদ্যুতিক সামগ্ৰী, অট মোবাইল আৰু মোবাইল ফোনৰ ৰপ্তানি পূৰ্বৰ তুলনাত যথেষ্ট বৃদ্ধি পাইছে বুলি উল্লেখ কৰে।

উল্লেখযোগ্য যে, প্ৰধানমন্ত্ৰী মোদীয়ে কালি বেংগালুৰুত সাত হেজাৰ ১৬০ কোটি টকা ব্যয় সাপেক্ষ মেট্ৰ প্ৰকল্পৰ উদ্বোধন কৰাৰ লগতে ১৫ হাজাৰ ৬১০ কোটি টকা ব্যয় সাপেক্ষে এই প্ৰকল্পৰ তৃতীয় পৰ্যায়ৰ আধাৰশিলা স্থাপন কৰে। তেওঁ বেংগালুৰু আৰু বেলাগাভিৰ মাজৰ বন্দে ভাৰত ৰেল সেৱা পতাকা জোকাৰি শুভাৰম্ভ কৰাৰ উপৰি ভাৰ্চুৱেল ব্যৱস্থাৰে অমৃতসৰৰ পৰা কাটৰা আৰু নাগপুৰৰ পৰা পুনেলৈ বন্দে ভাৰত ৰেল সেৱাৰো শুভাৰম্ভ কৰে।

০০০০০

কৃষি মন্ত্ৰী শিৱৰাজ সিং চৌহানে আজি ৰাজস্থানৰ ঝুনঝুনুত এটা অনুষ্ঠানত ৩০ লাখৰো অধিক কৃষকক তিনি হাজাৰ ২০০ কোটি টকাৰ শস্য বীমা দাবীৰ ধন বিতৰণ কৰিব। কৃষি আৰু কৃষক কল্যাণ মন্ত্ৰালয়ে প্ৰকাশ কৰা মতে কৃষকসকলক শস্য বীমাৰ এই ধনৰাশি প্ৰত্যক্ষ লাভালাভ হস্তান্তৰৰ জৰিয়তে তেওঁলোকৰ বেংক একাউণ্টলৈ ডিজিটেলি হস্তান্তৰ কৰা হব। মধ্যপ্ৰদেশৰ কৃষকসকললৈ এহেজাৰ ১৫৬ কোটি টকা, ৰাজস্থানৰ কৃষকসকললৈ এহেজাৰ ১২১ কোটি টকা, চত্তিশগড়ৰ কৃষকসকললৈ ১৫০ কোটি টকা আৰু অন্যান্য ৰাজ্যৰ কৃষকসকললৈ ৭৭৩ কোটি টকা প্ৰত্যক্ষভাৱে হস্তান্তৰ কৰা হব। এই অনুষ্ঠানত ৰাজস্থানৰ ঝুনঝুনু, ছিকাৰ, জয়পুৰ, কটপুটলি-বেহৰো আৰু অন্যান্য জিলাৰ কৃষকসকলে অংশ গ্ৰহণ কৰাৰ লগতে দেশৰ বিভিন্ন ৰাজ্যৰ বহু সংখ্যক কৃষক ভাৰ্চুৱেল ব্যৱস্থাৰে সংযুক্ত হব।

০০০০০

নিৰ্বাচন আয়োগে বিহাৰৰ জ্যেষ্ঠ বিজেপি নেতা আৰু উপ-মুখ্যমন্ত্ৰী বিজয় কুমাৰ সিনহাৰ দুখন ভোটাৰ কাৰ্ড সন্দৰ্ভত নিৰ্দেশ জাৰি কৰিছে। বিহাৰৰ বানকিপুৰ বিধানসভা সমষ্টিত নিৰ্বাচনী পঞ্জীয়ন বিষয়াই চলিত মাহৰ ১৪ তাৰিখৰ ভিতৰত বানকিপুৰ আৰু লক্ষিচৰাই দুয়োটা বিধানসভা সমষ্টিৰ ভোটাৰ তালিকাত বিজয় কুমাৰ চিনহাৰ নাম থকা সন্দৰ্ভত বিস্তৃত তথ্য দাখিল কৰিবলৈ নেতা গৰাকীক নিৰ্দেশ দিছে।

নিৰ্বাচনী পঞ্জীয়ন বিষয়াগৰাকীয়ে কয়, যে বানকিপুৰ আৰু লক্ষিচৰাই দুয়োটা বিধানসভা সমষ্টিৰ ভোটাৰ তালিকাত বিজয় কুমাৰ সিনহাৰ নাম ৪০৫ নম্বৰত পোৱা গৈছে। ইয়াৰ পূৰ্বে আৰ জে ডিৰ নেতা তথা ভূতপূৰ্ব উপ-মুখ্যমন্ত্ৰী তেজস্বী প্ৰসাদ যাদৱৰ নামতো দুখনকৈ ভোটাৰ কাৰ্ড পোৱা গৈছে। অৱশ্যে বিজেপি নেতা শ্ৰী সিনহাই তেওঁৰ নাম বানকিপুৰ বিধানসভা সমষ্টিৰ ভোটাৰ তালিকাৰ পৰা কৰ্তন কৰিবলৈ নিৰ্বাচন আয়োগক আবেদন দাখিল কৰা বুলি প্ৰকাশ কৰিছে। ইফালে আৰ জে ডিৰ নেতা তেজস্বী প্ৰসাদ য়াদবে কালি পুৱা পাটনাত অনুষ্ঠিত এখন সংবাদমেলত বিজয় কুমাৰ সিনহাৰ দুখন ভোটাৰ কাৰ্ড থকা সন্দৰ্ভত সমালোচনা কৰিছিল।

০০০০০

জম্মু-কাশ্মীৰৰ কিস্তৱাৰ জিলাৰ কোৱাৰ দুলত কালি পুৱাৰে পৰা নিশা পৰ্যন্ত সুৰক্ষা বাহিনী আৰু সন্ত্ৰাসবাদীৰ মাজত গুলীয়াগুলী চলে। আকাশবাণী জম্মুৰ সংবাদদাতাই জনোৱা মতে জিলাখনৰ কোৱাৰ দুল অঞ্চলত সন্ত্ৰাসবাদীৰ উপস্থিতিৰ সন্দৰ্ভত লাভ কৰা তথ্যৰ ভিত্তিত অভিযান চলোৱাৰ সময়তে সুৰক্ষা বাহিনী আৰু আত্মগোপন কৰা সন্ত্ৰাসবাদীৰ মাজত সংঘৰ্ষৰ সূত্ৰপাত হয়। অঞ্চলটোত ছেভেণ্টিন ৰাষ্ট্ৰীয় ৰাইফল আৰু জম্মু-কাশ্মীৰ আৰক্ষীৰ বিশেষ অভিযান গোটে অৰ্ধসামৰিক বাহিনীৰ সহযোগত অভিযান চলাই। অঞ্চলটোত দুজন পাকিস্তানী সন্ত্ৰাসবাদী লুকাই থকাৰ তথ্য পোৱা গৈছিল। এই সংক্ৰান্তত এতিয়াও সঠিক তথ্য লাভ কৰা হোৱা নাই।

০০০০০

ইৰাকৰ এটা জল শোধন কেন্দ্ৰত ক্লোৰাইন নিৰ্গমৰ ফলত ৬০০ ৰো অধিক ছিয়া মুছলেমান তীৰ্থ যাত্ৰী উশাহ-নিশাহৰ সমস্যাত ভোগাত তেওঁলোকক চিকিতসালয়ত ভৰ্তি কৰোৱা হয়। মধ্য আৰু দক্ষিণ ইৰাকত থকা ছিয়াসকলৰ দুখন পৱিত্ৰ চহৰ নাজাফ আৰু কাৰবালাৰ মাজৰ পথত শনিবাৰৰ নিশা এই দুৰ্ঘটনা সংঘটিত হয়। উল্লেখযোগ্য যে চলিত বছৰত কেইবালাখ ছিয়া মুছলমান তীৰ্থযাত্ৰীয়ে কাৰবালা ভ্ৰমণ কৰাৰ আশা কৰা হৈছে।

০০০০০

১৯ বছৰ অনুৰ্ধ এছিয়া বক্সিং প্ৰতিযোগিতাত ভাৰতে সোণ সহ ১৪ টা পদক অৰ্জন কৰিছে। ভাৰতৰ নিশাই ৫৪ কিলোগ্ৰাম শাখাত আৰু মুচকানে ৫৭ কিলোগ্ৰাম শাখাত সোণৰ পদক অৰ্জন কৰিছে। অন্য পাঁচগৰাকী খেলুৱৈয়ে ৰূপৰ পদক লাভ কৰিছে।

০০০০০

সমাপ্ত